নবী চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰত্যেক নামাজৰ সময়তে অজু কৰিছিল।

আমৰ ইবনে আমিৰৰ পৰা বৰ্ণিত, আনাছ ইবনে মালিকে কৈছেঃ নবী চাল্লাল্লাহু আলাইহি
অছাল্লামে প্ৰত্যেক নামাজৰ সময়তে অজু কৰিছিল। মই ক'লোঃ আপোনালোকে কি কৰিছিল?
তেওঁ কৈছেঃ আমি অজু ভংগ নোহোৱালৈকে অজু কৰা নাছিলোঁ।
[ছহীহ] [(বুখাৰী)]

হাদীছটোত কোৱা হৈছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰত্যেক ফৰজ নামাজৰ সময়তে অজু কৰিছিল, যদিও তেখেতৰ অজু ভংগ হোৱা নাছিল। এইটো তেখেতে ছোৱাব অৰ্জনৰ কাৰণে কৰিছিল। যদি অজু থাকে তেন্তে এটা অজুৰে একাধিক ফৰজ নামাজ পঢ়াত কোনো বাধা নাই।

http://www.sunnah.global/hadeeth/as/show/65080